# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১। গুৱাহাটীৰ অভিলাষী ৰিং ৰোড প্ৰকল্পৰ কামৰ আৱণ্টন, দুমাহৰ ভিতৰত কাম আৰম্ভ।

২। আহোম ৰাজত্বৰ কীৰ্তি চিহ্নসমূহ সংৰক্ষণ কৰিবলৈ ৰাজ্য চৰকাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

৩। উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ কোচিং চেণ্টাৰৰ যোগ্য ছাত্ৰ-ছাত্ৰীকো স্কুটী প্ৰদানৰ সিদ্ধান্ত ৰাজ্য চৰকাৰৰ।

৪। গুৱাহাটী এছিয়ান চলচ্চিত্ৰ মহোৎসৱৰ আজি দ্বিতীয় দিনা কেইবাখনো দেশী-বিদেশী ছবি প্ৰদৰ্শন।

*আৰু*

৫। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি দৌৰবিদ অম্লান বৰগোহাইৰ অভিযান আৰম্ভ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা দুমাহৰ ভিতৰত গুৱাহাটীৰ অভিলাষী ৰিং ৰোড প্ৰকল্পৰ কাম আৰম্ভ হ'ব বুলি প্ৰকাশ কৰিছে। গুৱাহাটীৰ পলাশবাৰীত আয়োজিত এটা অনুষ্ঠানত ড০ শৰ্মাই কালি সাংবাদিকৰ আগত ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে এই প্ৰকল্পৰ ঠিকাৰ বাবে আৱণ্টন দিয়াৰ কথা প্ৰকাশ কৰি কয়, যে অহা দুবছৰৰ ভিতৰত ৰিং ৰোড প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰা হ'ব। এই ৰিং ৰোড প্ৰকল্প সম্পূৰ্ণ হোৱাৰ পাছত যাতায়াত ব্যৱস্থা অধিক সুচল কৰিবলৈ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈকে এটা এলিভেটেড কৰিড'ৰ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই ৰিংৰোড প্ৰকল্পৰ জৰিয়তে গুৱাহাটী মহানগৰীয়ে দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে এটা নতুন পৰিচয় লাভ কৰিব বুলিও ড০ শৰ্মাই উল্লেখ কৰে।

০০০০০০

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তুতি চলাই আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই শীৰ্ষ সন্মিলনৰ পৰিপ্ৰেক্ষিতত কালি দিল্লীত টাটা গ্ৰুপৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰনক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে অধ্যক্ষগৰাকীৰ সৈতে জাগীৰোডৰ চেমিকণ্ডাক্টৰ প্ৰকল্পকে ধৰি অনাগত সময়ত অসমত টাটা গ্ৰুপৰ বিনিয়োগ সন্দৰ্ভত আলোচনা কৰে। ড০ শৰ্মাই লগতে শ্ৰী চন্দ্ৰশেখৰনক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনলৈ আমন্ত্ৰণ জনায়। উল্লেখযোগ্য যে পাঁচখন সহযোগী দেশে অংশ ল'বলগীয়া এডভাণ্টেজ আছাম সন্মিলনত ৫ শতাধিক বিদেশী উদ্যোগী আৰু বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই সন্মিলন ভৱিষ্যত অসমৰ অৰ্থনৈতিক উন্নয়নৰ মাইলৰ খুঁটি হ'ব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০০

কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ অভিভাৱক মন্ত্ৰী নন্দিতা গাৰ্লোচাই কালি সন্ধিয়া ডিফুত আয়োজিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সভাত অংশগ্ৰহণ কৰি অহা ২৬ আৰু ২৫ ফেব্ৰুৱাৰীত এডভাণ্টেজ আছামৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ পাহাৰীয়া জিলাখনৰ ছাত্ৰ-ছাত্ৰী তথা অন্যান্য লোকসকলক

আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে এই সন্মিলনৰ বাবে নিজৰ নাম পঞ্জীয়ন কৰি বিনিয়োগৰ কৌশল আৰু কাৰিকৰী জ্ঞান আহৰণৰ সুযোগ গ্ৰহণ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। তেওঁ লগতে এই সন্মিলনত কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাতো প্ৰাকৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰ আৰু বিনিয়োগৰ প্ৰচুৰ সম্ভাৱনা সম্পৰ্কে আলোকপাত কৰাৰ সুবিধা গ্ৰহণ কৰিবলৈ পাহাৰীয়া জিলাখনৰ উদ্যোগীসকলক আহ্বান জনায়। কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই সভাত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ প্ৰতিনিধিৰ উপৰিও পাহাৰীয়া জিলাকেইখনৰ জিলা আয়ুক্তসকলেও এই সভাত অংশগ্ৰহণ কৰে।

০০০০০০

আহোম ৰাজত্বৰ কীৰ্তি চিহ্নসমূহ সংৰক্ষণ কৰিবলৈ ৰাজ্য চৰকাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছে। এটা নিজাববীয়া গোচৰৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ সুমন শ্যামৰ খণ্ড বিচাৰপীঠে এই নিৰ্দেশ দিয়ে। অহা ছমাহৰ ভিতৰত পুৰাতত্ব সমল, সত্যতা আৰু বিশুদ্ধতাৰ ভিত্তিত আহোম ৰাজত্বকালৰ কীৰ্তি চিহ্নসমূহক সংৰক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ খণ্ড বিচাৰপীঠে স্পষ্ট কৰি দিছে। উল্লেখযোগ্য যে, ২০২৪ বৰ্ষৰ তিনি এপ্ৰিলত ন্যায়ালয়ে ৰাজ্য চৰকাৰক এই কীৰ্তি চিহ্নসমূহ সংৰক্ষণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। সেই অনুসৰি পুৰাতত্ব সঞ্চালকে বিগত বৰ্ষৰ ২৯ আগষ্টত ঐতিহাসিক কীৰ্তি চিহ্নসমূহ চিনাক্ত কৰাৰ বাবে জৰীপ চলি আছে বুলি শপতনামা দাখিল কৰিছিল। ইয়াৰ ভিত্তিতেই উচ্চ ন্যায়ালয়ে ছমাহৰ ভিতৰত এই জৰীপ প্ৰক্ৰিয়া সম্পন্ন কৰি কীৰ্তি চিহ্নসমূহ সংৰক্ষণ কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়ে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে যোৱা বৃহস্পতিবাৰে মাৰ্ঘেৰিটাৰ অবৈধ কয়লা খনন সন্দৰ্ভত গৃহ সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ জাৰি কৰাৰ পাছতে কালি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ এটা সজাতি দলে লিডু অঞ্চলৰ মূলাং পাহাৰৰ অবৈধ কয়লাক্ষেত্ৰ পৰিদৰ্শন কৰে। বিভাগীয় বিষয়াৰ নেতৃত্বত সংশ্লিষ্ট পক্ষই এই পৰিদৰ্শন কালত ক'ল ইণ্ডিয়াৰ মহা প্ৰবন্ধক আৰু বন সংমণ্ডল প্ৰাধীকাৰীক চোৰাং কয়লাখনন সন্দৰ্ভত জবাবদিহি কৰে। উল্লেখযোগ্য যে মাৰ্ঘেৰিটাৰ অবৈধ কয়লাখনন আৰু প্ৰাকৃতিক সম্পদৰ লুণ্ঠনৰ বিৰুদ্ধে মিণ্টু মোদী নামৰ এগৰাকী অধিবক্তাই কেন্দ্ৰীয় পৰিৱেশ, বন আৰু  জলবায়ু পৰিৱৰ্তন বিভাগক অভিযোগ দিছিল। যোৱা ২৮ ডিচেম্বৰত এই অভিযোগৰ ভিত্তিত বিভাগৰ উপ-সঞ্চালক প্ৰধান ড০ ৰাজেশ পি ৰষ্টোগী আৰু অসম প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ সহস্য সচিবক নিৰ্দেশৰ ১৫ দিনৰ ভিতৰত চৰজমীন তদন্তৰ প্ৰতিবেদন দাখিল কৰিবলৈ উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছিল।

০০০০০০

যোৰহাটৰ ম'হবন্ধা এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত চলি থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ আজি তৃতীয় দিনা নাম-প্ৰসংগ, মুকলি সভা, সাংস্কৃতিক শোভাযাত্ৰা আদিকে ধৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। পৰিৱেশ নিকাকৰণ আৰু প্ৰাতঃ প্ৰসংগৰে আৰম্ভ হোৱা আজিৰ কাৰ্যসূচীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই অধিৱেশনৰ ধৰ্মধবজা উত্তোলন কৰিব। আজিৰ কাৰ্যসূচীৰ মূল আকৰ্ষণ হৈছে- ভাগৱত ভ্ৰমণ আৰু বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা বহুসংখ্যক ভক্ত, যুৱক-যুৱতী, মহিলা তথা বিভিন্ন জাতি-ধৰ্মৰ

লোকে এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি অধিৱেশনৰ মূল সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা আছে।

০০০০০০

সোণোৱাল-কছাৰী সাহিত্য সভাৰ পূৰ্ণাংগ দ্বি-বাৰ্ষিক অধিৱেশন কালিৰে পৰা অনুষ্ঠিত হৈছে। ধেমাজিৰ জিয়াঢল আমোলগুৰি ভোগালী সমন্বয় ক্ষেত্ৰত আয়োজিত এই অধিৱেশনত ৰাজ্যৰ ১৩ খন জিলাৰ প্ৰতিনিধি আৰু অৰুণাচল প্ৰদেশৰ দুখন জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই অধিৱেশনৰ কালি প্ৰথম দিনা ভোগালী সমন্বয় ক্ষেত্ৰ আৰু মূল তোৰণ উন্মোচন আৰু সভাৰ মূল পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ, সোণোৱাল-কছাৰীসকলৰ পৰম্পৰাগত গৃহ উদ্বোধন আদি কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ লগতে পৰম্পৰাগত খাদ্যমেলা, প্ৰদৰ্শনী, বাণিজ্য মেলা, প্ৰতিনিধি শিবিৰ উদ্বোধন আৰু আলোচনা চক্ৰ আদিও অনুষ্ঠিত হয়।

০০০০০০

ৰাজ্য চৰকাৰে উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক স্কুটী প্ৰদানৰ ক্ষেত্ৰত পূৰ্বে জাৰি কৰা নিৰ্দেশনাৰ শেহতীয়াকৈ কিছু সালসলনি ঘটনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কয়, যে ৰাজ্য চৰকাৰে বিশেষ বিবেচনাৰে এই বৰ্ষৰ নিয়মীয়া পাঠ্যক্ৰমৰ উপৰি উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত কোচিং চেণ্টাৰত নামভৰ্তি কৰা যোগ্য ছাত্ৰ-ছাত্ৰীকো স্কুটী প্ৰদানৰ সিদ্ধান্ত লৈছে। বিৰতিবৰ্ষ  অৰ্থাৎ গেপ ইয়েৰৰ পাছত নিয়মীয়া পাঠ্যক্ৰমত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলে পাছত স্কুটী লাভৰ বাবে যোগ্য বুলি বিবেচিত হ'ব। অৱশ্যে এই শিঠিলতা এই বৰ্ষৰ বাবেহে প্ৰযোজ্য হ'ব। উল্লেখযোগ্য যে শিক্ষা বিভাগে পূৰ্বে উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হোৱাৰ পাছত নিয়মীয়া পাঠ্যক্ৰমত নামভৰ্তি নকৰি কোচিং চেণ্টাৰত নামভৰ্তি কৰা যোগ্য ছাত্ৰ-ছাত্ৰীক স্কুটী প্ৰদান কৰা নহয় বুলি প্ৰকাশ কৰিছিল।

০০০০০০

সমাগত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা সন্দৰ্ভত আলোচনা কৰাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ  এটা প্ৰতিনিধি দলে কালি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ আৰু উপাধ্যক্ষক সাক্ষাৎ কৰে। এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যখনৰ মুঠ ৪ লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা, বিজ্ঞান আৰু বাণিজ্য এই তিনিওটা  শাখাত সৰ্বমুঠ ৩ লাখ ছহেজাৰ ৮৪১ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। এই দুয়োটা পৰীক্ষা নিয়াৰিকৈ পৰিচালনা কৰিবলৈ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ কৰ্তৃপক্ষক সদৌ অসম ছাত্ৰ সন্থাই আহ্বান জনায়। একেদৰে পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ ক্ষেত্ৰতো পৰিষদৰ গ্ৰহণযোগ্যতা আৰু বিশ্বাসযোগ্যতা অটুত ৰাখিবলৈ ছাত্ৰ সংগঠনটোৰে বিদ্যালয় শিক্ষা পৰিষদ কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত চলি থকা গুৱাহাটী এছিয়ান ফিল্ম ফেষ্টিভেলৰ আজি দ্বিতীয় দিন। মহোৎসৱৰ কালি উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অভিনেত্ৰী শিবা চাদ্দা, শ্ৰীলংকাৰ চলচ্চিত্ৰ পৰিচালক প্ৰচন্ন ভিথানাগে চিত্ৰনাট্যকাৰ আকাশাদিত্য লামা আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত ছবি নিৰ্মাতা মঞ্জু বৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। কালিৰ কাৰ্যসূচীত চলচ্চিত্ৰ নিৰ্মাণ বিষয়ত এখন আলোচনাচক্ৰও অনুষ্ঠিত হয়। এই আলোচনাত চলচ্চিত্ৰ নিৰ্মাণৰ সৈতে জড়িত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

মহোৎসৱৰ আজি দ্বিতীয় দিনৰ কাৰ্যসূচীত দেশী-বিদেশী ভালেকেইখন চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। আজিৰ কাৰ্যসূচী সন্দৰ্ভত এয়া আমাৰ সহযোগী মৃদুস্মিতা শৰ্মা— **ভইচ**

তিনিদিনীয়া এই চলচ্চিত্ৰ মহোৎসৱত ইৰাণ, নেপাল, উজবেকিস্তান, কাজাখস্তান, বাংলাদেশ, হংকং, আজাৰবাইজান, ফিলিপিন্ছ, শ্ৰীলংকা আৰু তুৰস্কৰ কুৰিখন নিৰ্বাচিত ছবি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাত উত্তৰ-পূৰ্বাঞ্চলৰ ভালেকেইখন ছবি প্ৰদৰ্শনৰো দিহা কৰা হৈছে।

oooooo

আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ **চলন্তিকাত গুৱাহাটী মহানগৰীৰ জীৱনযাত্ৰা** শৃংখলাৰ প্ৰথমটো অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত তথাকথিত সৰু সৰু মানুহৰ জীৱন সংগ্ৰাম- তেওঁলোকৰ নিজ মুখেৰেই শুনিবলৈ পাব। অনুষ্ঠানটোৰ উপস্থাপন আৰু পৰিকল্পনা আকাশবাণীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীৰ মানসিক চাপ আৰু ইয়াৰ সমাধান সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠান চলি থকা সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

oooooo

৫ বছৰৰ পাছত ভাৰতীয় ৰিজাৰ্ভ বেংকে ৬ দশমিক ৫-০ শতাংশৰ পৰা ৬ দশমিক ২-৫ শতাংশলৈ হ্ৰাস কৰাৰ বাতৰিটো আমাৰ অসম কাকতে **৫ বছৰৰ মূৰত সুদৰ হাৰ কমালে ৰিজাৰ্ভ বেংকে, গাড়ী-ঘৰৰ ঋণৰ কিস্তি কমিল** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

**বেআইনীভাৱে থকা সকলোৰে আমেৰিকা এৰিবই লাগিব** শিৰোনামেৰে আমেৰিকা যুক্তৰাষ্ট্ৰ অবৈধভাৱে বসবাস কৰি থকা ৪৮৭ গৰাকী ভাৰতীয় লোকৰ তালিকা প্ৰস্তুত কৰি ট্ৰাম্প প্ৰশাসনে ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশন সন্দৰ্ভত দৈনিক অসম কাকতে **এৰালতলী পথাৰত ভক্তিৰ অমিয়া ৰসৰ ধল** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দৈনিক জনমভূমি, অসমীয়া খবৰ কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

বক্ৰ পথেৰে চাকৰি লোৱাৰ অভিযোগত নিলম্বিত ১৮ গৰাকী ৰাজপত্ৰিত বিষয়াক চাকৰিৰ পৰা নিলম্বনৰ বাবে দিয়া নিৰ্দেশ আৰু কাৰণ দৰ্শোৱাৰ জাননী গুৱাহাটী উচ্চ ন্যায়ালয়ে স্থগিতাদেশ জাৰি কৰা এটা বাতৰিক দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অহা ১২ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া আমেৰিকা ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক সাক্ষাৎ কৰিব। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে MODI TO MEET TRUMP DURING US VISIT FROM FEB 12 শিৰোনামেৰে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

বজালী জিলাৰ সৰুপেটাত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে **বজালী মঞ্চ সৰুপেটা**ৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত দ্বিতীয় ৰাষ্ট্ৰীয় নাট সমাৰোহ অনুষ্ঠিত হৈছে। কালি সন্ধিয়া ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে এই ৰাষ্ট্ৰীয় নাট সমাৰোহ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

০০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত লন বলত কালি অসমে তিনিটা পদক নিশ্চিত কৰিছে। নয়নমণি শইকীয়া  আৰু বন্দিতা হাজৰিকাৰ মহিলাৰ ডাবলচ যুটীৰ লগতে পুৰুষৰ ছিংগলছত পুতুল সোণোৱাল তথা মেন ফৰ্চত বিতোপন ৰাভা, অমল টেৰণ, বিমান নাথ আৰু বিশ্বনাথ খাওন্দে চেমিফাইনেলত প্ৰৱেশ কৰিছে। আজি ৰাষ্ট্ৰীয় ক্ৰীড়াত দৌৰবিদ অম্লান বৰগোহাইয়ে অভিযান আৰম্ভ কৰিব। অলিম্পিক পদক বিজেতা বক্সাৰ লাভলীনা বৰগোহাই আৰু উদীয়মান বক্সাৰ অংকুশিতা বড়োৱে কালি নিজ নিজ শিতানত স্বৰ্ণ পদক অৰ্জন কৰে। তাৰকা বক্সাৰ শিৱ থাপা আৰু অভিনৱ শইকীয়াই ৰূপৰ পদক লাভ কৰিছে। মহিলাৰ একক আৰ্চাৰীত টুটুমণি বড়ো আৰু আৰ্চাৰী মিক্সড টীম শাখাত অসম দলে ব্ৰঞ্জৰ পদক লাভ কৰিছে। অসমে এতিয়ালৈকে দুটা স্বৰ্ণ, চৌধ্যতা ৰূপ আৰু ১০ টা ব্ৰঞ্জৰ পদকসহ মুঠ ২৬টা পদক লাভ কৰিছে।

০০০০০০

ৰাজ্যৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত তিনিদিনীয়াকৈ আয়োজিত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ জিলা আৰু মাণ্ডলিক পৰ্যায়ৰ খেলসমূহ সুকলমে অনুষ্ঠিত হৈ যায়। দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ বাবে এথলেটিকছ, ফুটবল, কাবাডী, ভলীবল, ডবা আৰু চাইক্লিং আদি শিতানত নাম পঞ্জীয়ন কৰা খেলুৱৈৰ সংখ্যা ৫৫ লাখলৈ বৃদ্ধি পাইছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰা লগতে বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে পাতলীয়া বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত